**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***Headliens***

----------------------

ৰাজ্যত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া সভাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰিব। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এটা পদক্ষেপ। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বিয়েডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰিব।

oooooo

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো দুদিন থকা অৱস্থাত ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। অৱশ্যে বিগত ২-৩ দিন ধৰি হৈ থকা বৰষুণৰ ফলত পূজাৰ মণ্ডপসমূহৰ প্ৰস্তুতিত কিছু সমস্যাই দেখা দিছে। প্ৰতিকুল বতৰকো নেওচি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে পূজাৰ বাবে বজাৰ সমাৰকে ধৰি অন্যান্য প্ৰস্তুতি চলাই আছে। ইপিনে, শাৰদীয় নৱৰাত্ৰিৰ কালি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা অৰ্চনা কৰা হয়। অহা বুধবাৰে ষষ্ঠীৰ বেদীত দেবী প্ৰতিস্থা কৰা হব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা সম্পন্ন হয়। যোৱা ২৬ চেপ্তেম্বৰত কামাখ্যা ধামত পূজা আৰম্ভ হৈছে। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পুজা কৰা হয়। এই উপলক্ষে মন্দিৰ প্ৰাঙ্গন পোহৰ আৰু ফুলেৰে সজাই পৰাই তোলাৰ লগতে এই সময়ছোৱাত অগণন ভক্তৰ সমাগম হৈছে।

oooooo

ৰাজ্য চৰকাৰে বিভিন্ন ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে আগবঢ়োৱা সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা ২০২৪ৰ বাবে মনোনয়ন আহ্বান কৰিছে। এই বঁটাৰ বাবে কোনো ব্যক্তিয়ে নিজৰ নাম অথবা সমাজলৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত অনবদ্য অৰিহনা আগবঢ়োৱা আন বিশিষ্ট ব্যক্তিৰ নাম জিলা আয়ুক্ত নাইবা assamcivilianawards.assam.gov.in-ত মনোনয়ন কৰিব পাৰে। মনোনয়ন দাখিলৰ অন্তিম তাৰিখ অহা ৩১ অক্টোবৰ। অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা লাভ কৰা ব্যক্তিসকলে বিভিন্ন চৰকাৰী সা-সুবিধা লাভ কৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ অংশস্বৰূপে কাইলৈ পুনৰ নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহ, ভাঙাগড়ত শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ১০১ গৰাকী প্ৰাৰ্থীক কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰেৰণ কৰা হৈছিল। কাইলৈ নিযুক্তি দিবলগীয়া ৩৮৫ গৰাকী প্ৰাৰ্থীকে ধৰি সৰ্বমুঠ নিযুক্ত প্ৰাৰ্থী এক লাখ ২৫ হাজাৰ ৩০ গৰাকী।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি উত্তৰ-পূব আৰু দক্ষিণ ভাৰতত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ পূৰ্বাভাস প্ৰকাশ কৰিছে। বিভাগটোৱে কৈছে যে, অনাগত দিনসমূহত উত্তৰ-পশ্চিম, পশ্চিম আৰু মধ্য ভাৰতত বৰষুণৰ কোনো বিশেষ সম্ভাৱনা নাই। অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, আৰু তামিলনাডুত অহা ২-৩ দিনত প্ৰচুৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০০

হাৰিয়ানা বিধানসভাৰ ৯০ খন আসনৰ বাবে কালি অনুষ্ঠিত নিৰ্বাচনত প্ৰায় ৬৭ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰে। এটা পৰ্যায়ত অনুষ্ঠিত এই ভোটগ্ৰহণ শান্তিপূৰ্ণ আছিল। সকলো বয়সৰ ভোটদাতাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰসমূহত দীঘলীয়া শাৰি পতা পৰিলক্ষিত হয়। উল্লেখযোগ্য যে কালিৰ নিৰ্বাচনত ১০০ বছৰ ঊৰ্ধৰ ভোটদাতাৰ লগতে বহুসংখ্যক বয়োজ্যেষ্ঠ ভোটদাতাই ভোটদান কৰে। মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ লগতে নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু ডঃ সুখবীৰ সিং সান্ধুৱে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সূক্ষ্মভাৱে নিৰীক্ষণ কৰে। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে এইবাৰ ৮৫ বছৰ ঊৰ্ধৰ ভোটদাতাৰ লগতে বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ বাবে ঘৰৰ পৰাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ সুবিধা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে কালি হৈ যোৱা বিধানসভা নিৰ্বাচনৰ ভোটগণনা অহা ৮ অক্টোবৰত কৰা হ'ব। একেদিনাই জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰো ভোট গণনা কৰা হ'ব। ইতিমধ্যে জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনোত্তৰ সমীক্ষা বিভিন্ন সংস্থাই প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত